৩ পৃষ্ঠাত



৪ পৃষ্ঠাত



১০ পৃষ্ঠাত




# অসম আদিত্য

RNI R...
Porta...
e-ma...

ভাদ, ১৯৪৮ শক ■ বৃহস্পতিবাৰ, ২০ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Thursday, August 20, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প...


...ডিটেঅ'ৰ কৰ্মচাৰীসকলে চহৰখনৰ বিভিন্ন ব্যস্ত পথত আকস্মিক তালাচী চলাই নিয়মভংগকাৰী চালকসকলক জবাবদিহিৰ আওতালৈ আনে। বিশেষকৈ চালকৰ বৈধ অনুজ্ঞা-পত্ৰ পৰীক্ষা কৰাৰ লগতে বিপজ্জনকভাৱে অতিৰিক্ত যাত্ৰী কঢ়িওৱা বাহনসমূহৰ বিৰুদ্ধে থিতাতে আইনী ব্যৱস্থা গ্ৰহণ কৰা হয়। প্ৰশাসনে স্পষ্ট কৰি দিছে যে যাত্ৰীসকলৰ জীৱনৰ সুৰক্ষাৰ স'তে কোনো ধৰণৰ আপোচ কৰা নহ'ব। পথ সুৰক্ষাৰ নিয়মসমূহ অমান্য কৰা আৰু চহৰখনত যাতায়াত ব্যৱস্থা বিশৃংখল কৰা চালকসকলক কঠোৰ সতৰ্কবাণী প্ৰদান কৰি প্ৰশাসনে কয় যে এনে অভিযান ভৱিষ্যতেও অব্যাহত থাকিব।

## মনসা পূজা পালন

**প্ৰতিবেদক, মোহনবাৰী, ১৯ আগষ্ট ঃ** প্ৰতি বছৰৰ দৰে এইবছৰো মোহনবাৰীৰ এটা পৰিয়ালে ভক্তিপূৰ্ণভাৱে মনসা পূজা উদযাপন কৰে। পূজাত যথেষ্ট সংখ্যক ভক্তগণৰ উপস্থিতি পৰিলক্ষিত হয়। উল্লেখ্য মোহনবাৰী বজাৰৰ বাসিন্দা প্ৰয়াত সুধীৰ দে' নামৰ ব্যক্তিজনৰ পৰিয়ালে তেওঁলোকৰ বাসগৃহৰ চৌহদত বহুবছৰ ধৰি জাকজমকতাৰে পূজা পালন কৰি আহিছে।

# কানৈ কলেজত ফটোগ্ৰাফী কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৯ আগষ্ট ঃ** ফটোগ্ৰাফী হ'ল পৃথিৱী সলনি কৰিব পৰা এক শক্তিশালী মাধ্যম। কিন্তু ফটোগ্ৰাফীত সঠিক দৃষ্টিভংগীৰ প্ৰয়োজন। দৃষ্টিভংগী যেতিয়া শুদ্ধ আৰু সত্য হ'ব, তেতিয়াই পৃথিৱীখন সুন্দৰ হ'ব। আত্মিকভাৱে সকলোকে ভালপোৱাৰ তাড়ণাই পৃথিৱীখনক ভালপাবলৈ শিকায়। ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ক্ৰীড়া আৰু সাংস্কৃতিক ব'ৰ্ডৰ উদ্যোগত বিশ্ব ফটোগ্ৰাফী দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা দুদিনীয়া কৰ্মশালাৰ প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়— বৰ্তমান যুৱ প্ৰজন্মই এক 'বিণ্ডাছ লাইফ' কটাব বিচাৰি নিজৰ জীৱনৰ কথা চিন্তা নকৰে। যাৰ ফলশ্ৰুতিত খুব কম বয়সতে বহু যুৱক-যুৱতীৰ জীৱন ধ্বংস হৈ যায়। তেওঁ কয়— এখন ফটো সংগ্ৰহৰ ক্ষেত্ৰত হৃদয়ৰ জ্ঞান আৰু সংবেদনশীলতাৰ লগতে ধৈৰ্য আৰু গভীৰ সাধনাৰ প্ৰয়োজন হয়। ফটোগ্ৰাফী সম্পৰ্কত উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে নিজৰ জীৱনৰ পছিশ-ত্ৰিশ বছৰীয়া অভিজ্ঞতাৰ কথা উল্লেখ কৰি কয়— বিগত ত্ৰিশ বছৰে বাতৰি কাকতত নিয়মীয়া স্তম্ভ লিখিও যিদৰে সন্তুষ্ট হ'ব পৰা নাই, ঠিক তেনেদৰে এজন ফটোগ্ৰাফাৰেও নিয়মীত ফটো সংগ্ৰহ কৰিও নিজকে সন্তুষ্ট কৰিব নোৱাৰে। অধ্যাপিকা ড০ তৃষ্ণা দুৱৰা কলিতাই আঁত ধৰা অনুষ্ঠানটিত তেওঁ কয়— এজন ফটোগ্ৰাফাৰে ফটো সংগ্ৰহ কৰি যেতিয়ালৈকে অসন্তুষ্ট হৈ থাকে, তেতিয়ালৈকে ভালৰো ভাল ফটো সংগ্ৰহ হৈ থাকে আৰু ফটোগ্ৰাফাৰজনো আগবাঢ়ি গৈ থাকে। অধ্যক্ষ ড০ শইকীয়াই কয়— চৌপাশৰ পৃথিৱী, মানুহৰ ছবি, মানুহৰ হাঁহি-কান্দোন, জীৱনৰ ছন্দ সকলোতে একো একোটা গল্প লুকাই থাকে। সেই গল্পটো অংকন কৰিব পৰাজনেই প্ৰকৃত ফটোগ্ৰাফাৰ। ফটোগ্ৰাফী পৃথিৱীৰ সাৰ্ব্বজনীন ভাষা বুলি উল্লেখ কৰি তেওঁ কয়— ফটোগ্ৰাফী হয়তো হ'ব ভৱিষ্যতৰ একমাত্ৰ ভাষা। এখন ফটোৱে বিশ্ব কঁপাই তুলিব পাৰে। এই প্ৰসংগত ছুডানৰ দুৰ্ভিক্ষৰ সময়ত দক্ষিণ আফ্ৰিকাৰ কেভিন কাৰ্টাৰে তোলা ফটোখনৰ প্ৰভাৱ সম্পৰ্কত উল্লেখ কৰি কয়— এখন ফটো গ্ৰহণৰ সময়ত ফটোগ্ৰাফাৰজনৰ বাবে প্ৰয়োজন হয় এখন মানৱীয় হৃদয়। তেওঁ কয়— এজন ফটোগ্ৰাফাৰৰ সফলতা কেৱল এখন ডাঙৰ ফটো তোলাতেই সীমাবদ্ধ নহয়, কেমেৰাৰ লেন্সৰ সিপাৰে থকা জীৱনৰ মানৱীয় সংবেদনশীলতা আৰু দায়বদ্ধতা অক্ষুণ্ণ ৰখাতো ফটোগ্ৰাফাৰৰ আচল লক্ষ্য হোৱা উচিত। কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি হিমাদ্ৰী ভূঞাই ছাত্ৰ-ছাত্ৰীসকলক ফটোগ্ৰাফীৰ বিভিন্ন দিশ সম্পৰ্কত অৱগত কৰাৰ লগতে ফটোগ্ৰাফীৰ বিভিন্ন কাৰিকৰী দিশসমূহ দেখুৱায়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত অধ্যাপিকা ড০ মৰমী তালুকদাৰ, অধ্যাপক ড০ অমিতাভ দলেকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

**ডিব্ৰুগড়, ১৯ আগষ্টঃ** ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল (এএমচিএইচ) চৌহদত আজি ডিব্ৰুগড় পৌৰনিগমে (ডিএমচী) চলায় এক বিশেষ উচ্ছেদ অভিযান। হস্পিতাল চৌহদৰ ভিতৰত অবৈধভাৱে চলাই থকা খাদ্যৰ দোকান আৰু অন্যান্য বে-আইনী ব্যৱসায়িক কাৰ্যকলাপ বন্ধ কৰাৰ উদ্দেশ্যে পৌৰনিগম প্ৰশাসনে এই পদ... কৰে। অভিযানৰ সময়ত পৌ... দলটোৱে হস্পিতাল ... অনিয়ন্ত্ৰিতভাৱে গঢ় লৈ উঠা অস্থা... বিপণীসমূহ উচ্ছেদ কৰে। ইয়াৰ উ... দোকানসমূহৰ ফলত হস্পিতাল ... সৃষ্টি হোৱা আৱৰ্জনা, জাবৰ-জোঁ... অপৰিস্কাৰ পৰিৱেশৰ দিশটো ...

## নক্ষত্ৰৰ পৰিৱেশ সজাগতা সপ্তাহ

**ডিব্ৰুগড়, ১৯ আগষ্ট ঃ** স্বাধীনতা দিৱস উপলক্ষে 'নক্ষত্ৰ এ জাৰ্নি অৱ লাইট' নামৰ বে-চৰকাৰী স্বেচ্ছাসেৱী সংস্থাই পৰিৱেশ সজাগতা সপ্তাহ পালন কৰে। এই উদ্দেশ্য আগত ৰাখিয়েই তেওঁলোকে কুমাৰণীছিগা, চেতিয়াচুক, দুৱৰাচুক আৰু বামপথাৰ অঞ্চলত পৰিৱেশ সজাগতা সমীক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান আৰু বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। ইয়াৰ লগতে সেই অঞ্চলৰ পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহ চিনাক্ত কৰাৰ পৰা আৰম্ভ কৰি আমাৰ চৌপাশ পৰিষ্কাৰ কৰা আৰু গছপুলি ৰোপণলৈকে প্ৰায় ৩০ গৰাকী ছাত্ৰই অংশগ্ৰহণ কৰি এক অৰ্থপূৰ্ণ পৰিৱৰ্তন অনাৰ প্ৰয়াস কৰে। এই সমগ্ৰ কাৰ্যসূচী নক্ষত্ৰৰ সভাপতি বিকাশ চক্ৰৱৰ্তীৰ তত্ত্বাৱধানত সম্পন্ন হয়। ১৬ আগষ্টত এই সপ্তাহজোৰা পদক্ষেপৰ অন্ত পৰে।

## বকুলনি...



**বিশেষ প্ৰতিনিধি,** ... দুলীয়াজানৰ বকুলনিষ্থি... নীপক'ৰ উদ্যোগত অ... লিমিটেডৰ ক্ষেত্ৰীয় মুখ্য... ৰাজভাষা কাৰ্যান্বয়ন সমি... ১৪ আগষ্টত নিপক'ত ... অনুষ্ঠিত হৈ যায়। কৰ্মশা...

## সামাজিক ব্যাধি ...